জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৩১/২০২১

# আলোকৰ উৎসৱ দীপাৱলী উপলক্ষে মুখ্যমন্ত্ৰীৰ শুভেচ্ছা

**পৰম্পৰা, আধ্যাত্মিকতা আৰু ৰীতি-নীতিৰে দীপাৱলী পালনৰ আহ্বান মুখ্যমন্ত্ৰীৰ**

**দিছপুৰ, ০৩ নৱেম্বৰ ঃ** আলোকৰ উৎসৱ দীপাৱলী উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যবাসীক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে।

এক বিবৃতিৰ জৰিয়তে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে পোহৰৰ উৎসৱ দীপাৱলী হৈছে এন্ধাৰ নাশ কৰি আলোকৰ জয় যাত্ৰাৰ এক পৱিত্ৰ উৎসৱ। ভাৰতীয় সভ্যতা-সংস্কৃতি বিশ্বাস আৰু পৰম্পৰাৰ সৈতে সংপৃক্ত এই উৎসৱে অসূয়া-অশান্তি আঁতৰাই সকলোকে এখন সুন্দৰ সমাজ নিৰ্মাণৰ দিশত সংকল্পবদ্ধ হ'বলৈ প্ৰেৰণা যোগায়। মুখ্যমন্ত্ৰীয়ে কয় যে এই উৎসৱ হ'ল এন্ধাৰৰ বিপৰীতে পোহৰ, অজ্ঞনতাৰ বিপৰীতে জ্ঞান আৰু প্ৰজ্ঞা, অন্যায়ৰ বিৰুদ্ধে ন্যায়, নেতিবাচকৰ বিপৰীতে ইতিবাচক তথা নিৰাশাৰ বিপৰীতে আশাৰ বিজয়ৰ উৎসৱ। মুখ্যমন্ত্ৰীয়ে দীপাৱলীৰ এই শুভক্ষণত অপশক্তিৰ বিৰুদ্ধে মাৰ বান্ধি থিয় হৈ সমাজখনক অধিক স্পন্দনশীল আৰু গতিশীল কৰি তোলাৰ সংকল্প ল'বলৈ ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণক আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে পৰম্পৰা, আধ্যাত্মিকতা তথা ৰীতি-নীতিৰে এই উৎসৱ পালনৰ বাবে আহ্বান জনোৱাৰ লগতে ক'ভিড সৃষ্ট এই জটিল সময়ত পালিত পোহৰৰ এই উৎসৱত জনসাধাৰণে যাতে সম্পূৰ্ণ সাৱধানতা অৱলম্বন কৰে তাৰ বাবেও আহ্বান জনায়।

**পুঃডেঃ**
**০৩/১১/২০২১**